# তোমাৰ পৰিয়ালৰ বাবে পৰিচয় পত্ৰ প্ৰস্তুত কৰা (পৰ্য্যায়১)

| | |
|---|---|
| **বিৱৰণ** | শিক্ষাৰ্থীয়ে পৰিয়ালৰ প্ৰত্যেক সদস্যৰ মাজৰ সমন্ধ অধিক গাঢ় কৰি তুলিবলৈ সাক্ষাৎকাৰ ল'ব আৰু পৰিচয় পত্ৰ প্ৰস্তুত কৰিব আৰু পাৰ্থক্য অথবা সাদৃশ্যৰ বিষয়ে শিকিব। |
| **শীৰ্ষস্থানীয় প্ৰশ্ন** | তুমি তোমাৰ পৰিয়ালৰ সদস্যৰ বাবে পৰিচয় পত্ৰ প্ৰস্তুত কৰিব পাৰিবানে য'ত কিছুমান সাদৃশ্য, পাৰ্থক্য আৰু তেওঁলোকৰ অন্য ব্যক্তিগত বিষয় উল্লেখ থাকিব? |
| **মুঠ সময়** | ৩ দিনত ৩ ঘন্টাকৈ |
| **প্ৰয়োজনীয় সঁজুলি** | পেঞ্চিল, কাগজ/বহী, ৰঙীন কলম বা ৰঙীন পেঞ্চিল, আঠা। |
| **শিকাৰ ফলাফল** | ১) লিখাৰ দক্ষতাৰ অভ্যাস।<br>২) প্ৰশ্নাত্মক অভ্যাস গঠন।<br>৩) ক'বলৈ শিকিব। |
| **প্ৰাৰম্ভিক জ্ঞান** | নিজৰ ভাষাত বৰ্ণ আৰু বাক্যাৱলী ক'ব পৰা, ৰং, সংখ্যা, ক্ৰিয়াকলাপৰ ব্যৱহাৰ। |

## দিন ১

আজি তোমালোকে শিকিবা পৰিচয় পত্ৰ কি আৰু ইয়াৰ প্ৰস্তুতিৰ আৰম্ভণি।

| প্ৰস্তাৱিত সময় | ক্ৰিয়াকলাপ আৰু বিৱৰণ |
|---|---|
| ১০ মিনিট | ▪ শিক্ষাৰ্থীয়ে তেওঁলোকৰ ঘৰৰ প্ৰত্যেকৰে সাদৃশ্য অথবা পাৰ্থক্য বুজি পাবলৈ এটা প্ৰকল্পৰ ওপৰত কাম কৰিব আৰু প্ৰত্যেক সদস্যৰ বাবে একোখনকৈ পৰিচয় পত্ৰ প্ৰস্তুত কৰিব; কেনেকৈ কিছুমান প্ৰশ্নৰ উত্তৰ দিয়ে তাৰ তুলনা কৰিবলৈ।<br>▪ পৰিচয় পত্ৰ এখনে যিকোনো ব্যক্তিৰ বিষয়ে তথ্য বহন কৰে যিয়ে তেওঁলোকক চিনাক্ত কৰাত সহায় কৰে, যেনে তেওঁলোকৰ নাম, বয়স, কৰ্ম ইত্যাদি।ইয়াত তেওঁলোকৰ ফটোও থাকে। আপুনি পৰিয়ালৰ যিকোনো এজন ব্যক্তিৰ এখন পৰিচয় পত্ৰ শিক্ষাৰ্থীক দেখুৱাব পাৰে।<br>▪ তেওঁলোকক কওঁক যে সকলোৰে নিজস্ব মুখমণ্ডল, শৈলী, চিন্তাধাৰা থাকে আৰু এয়া গুৰুত্বপূৰ্ণ যে আমি সেই পাৰ্থক্যখিনি বুজিব আৰু সন্মান কৰিব লাগে। শিক্ষাৰ্থী সকলে ভাতৃ-ভগ্নী আৰু পৰিয়ালৰ আন সদস্যৰ মাজত থকা সাদৃশ্য-পাৰ্থক্য তুলনা কৰিবলৈ শিকিব। |

| | |
|---|---|
| **১০ মিনিট** | ▪ শিক্ষাৰ্থীসকলে পৰিচয় পত্ৰত কিছুপ্ৰকাৰৰ মতামত অথবা অভ্যাসৰ পাৰ্থক্য তুলনা কৰিবলৈ সাজু হ'ব। যেনেঃ জানিব বিছাৰিব পাৰে, সকলোৰে ভালপোৱা ৰং,চিনেমা, খেল, খাদ্য ইত্যাদি। অন্ততঃ ১০ প্ৰকাৰৰ ব্যক্তিগত তথ্যসহ সাজু হ'ব যেনে-নাম, বয়স, উচ্চতা, কৰ্ম, চুলিৰ প্ৰকাৰ/ৰং, চকুৰ বৰণ, প্ৰিয় বিষয় ইত্যাদি। |
| **৫-১০ মিনিট** | ▪ জিন(genes) ৰ বিষয়টোৰ ওপৰত পৰিচয় দিব আৰু ইয়াৰ বৈশিষ্ট্য আৰু পিতৃ-মাতৃৰ বিশেষ লক্ষণসমূহ তেওঁলোকৰ সন্তানলৈ অহাৰ বিষয়ে বৰ্ণনা কৰিব, যাৰ বাবে পৰিয়ালৰ মাজত চুলিৰ ৰং, চকুৰ বৰণ একেই দেখা যায়। কিছুমান বৈশিষ্ট্য আৰু অন্যৰ তুলনাত কম স্পষ্ট লক্ষণৰ বিষয়ে বহলাই ক'ব যেনে- সোঁহতীয়া/বাওঁহতীয়া, সংযুক্ত কানৰ লতি ইত্যাদি। শিক্ষাৰ্থী সকলে বিৱেচনা কৰিব যে কিয় তেওঁলোকে ভাৱে যে পৰিয়ালৰ সদস্যৰ মাজত সাদৃস্য আছে অথবা তেওঁলোক দেখিবলৈ কেনেকুৱা আৰু বৈশিষ্ট্য আৰু লক্ষণ সমন্ধীয় কিছুমান প্ৰশ্নৰ সৈতে সাঁজু হব। |
| **২০ মিনিট** | ▪ শিক্ষাৰ্থীয়ে পৰিয়ালৰ প্ৰত্যেক সদস্যৰে সহাঁৰিসমূহ নথিভূক্ত(record) কৰিবলৈ একেই প্ৰকাৰসমূহ/প্ৰশ্নসমূহৰ তালিকা পৃথকে কাগজৰ টুকুৰাত লিখি ৰাখিব। আপুনি তলত দিয়াৰ দৰে আৰ্হি শিক্ষাৰ্থীক যোগান ধৰিব পাৰেঃ<br>আৰ্হিঃ<br>**পৰিচয় পত্ৰ**<br>ফটো আঠা বা পৰিয়ালৰ সদস্যৰ ছবি অংকন অথবা কেৱল নাম উল্লেখ<br>নামঃ ______________________________<br>বয়সঃ ______________________________<br>উচ্চতাঃ ______________________________<br>প্ৰিয় চিনেমাঃ ________________________<br>প্ৰিয় খাদ্যঃ __________________________<br>প্ৰিয় ৰং ____________________________<br>প্ৰিয় কিতাপঃ ________________________<br>ভ্ৰমণ কৰা প্ৰিয় ঠাইঃ ___________________<br>প্ৰিয় জন্তু : __________________________<br>প্ৰিয় মহাবীৰ(চুপাৰহিৰ') : ___________________<br>সোঁহতীয়া/বাওঁহতীয়া ______________________ |
| **১০-২০ মিনিট** | ▪ শিক্ষাৰ্থীয়ে পৰিচয় পত্ৰখনত পৰিয়ালৰ প্ৰত্যেক সদস্যৰ মুখাংকন কৰিব। যদি কঠিন হয় তেন্তে পৰিয়ালৰ সদস্যৰ ফটো লগাব পাৰিব, অবয়ৱ |

<table>
<tr><td></td><td>অংকন অথবা কেৱল তেওঁলোকৰ নাম লিখিবও পাৰিব।<br>▪ যদি শিক্ষাৰ্থীয়ে লিখিবলৈ অসমৰ্থ হয়, শিক্ষাৰ্থীক নাম আৰু প্ৰকাৰ সমূহ ডটেড( dotted) লাইনত লিখি দিব যাৰ ওপৰেদি অংকন কৰিব পাৰিব।</td></tr>
<tr><td>১০-২০ মিনিট</td><td>▪ সংখ্যাৰ প্ৰসাৰঃ এই বিভাগসমূহত পৰিয়ালৰ কিমানজন সদস্যৰ সাদৃশ্য আছে চাওঁ আহা!<br>-তুমি সকলো সদস্যৰ সাক্ষাৎ গ্ৰহনৰ দৰে, তেওঁলোকৰ উত্তৰৰ এখন টোকা প্ৰস্তুত কৰা আৰু কোনবোৰ উত্তৰ পুনৰাই হৈছে চোৱা। সঘনে দিয়া সহাঁৰিসমূহ তলত দিয়াৰ দৰে এখন তালিকাত অন্তৰ্ভূক্ত কৰা, পৰিয়ালৰ কিমানজন সদস্যৰ মাজত একেধৰণৰ সাদৃস্যসমূহ দেখা যায়।<br>
<table>
<tr><th>বস্তু</th><th>পৰিয়ালৰ যিসকল সদস্যৰ আছে</th><th>বাৰংবাৰতা(tally)</th><th>মুঠ</th></tr>
<tr><td>ক'লা চুলি</td><td>মাঁ, দেউতা, মোৰ</td><td>III</td><td>৩</td></tr>
<tr><td>প্ৰিয় ৰং হালধীয়া</td><td>মোৰ, ভাইটিৰ</td><td>II</td><td>২</td></tr>
<tr><td>প্ৰিয় জন্তু সিংহ</td><td>মোৰ, মাঁ, দেউতা, ভাইটি, ভন্টীৰ</td><td>IIII</td><td>৫</td></tr>
<tr><td>সোঁহতীয়া</td><td>মোৰ, মাঁ, ভাইটি, দেউতা</td><td>IIII</td><td>৪</td></tr>
</table></td></tr>
</table>

# দিন ২

আজি তোমালোকে পৰিয়ালৰ সদস্যসকলক প্ৰশ্নসমূহ সুধিবা তেওঁলোকৰ উত্তৰসমূহ বিচাৰি উলিয়াবৰ বাবে।

| প্ৰস্তাৱিত সময় | ক্ৰিয়াকলাপ আৰু বিৱৰণ |
|---|---|
| **৫ মিনিট** | পৰিয়ালৰ সাক্ষাৎকাৰৰ পৰিকল্পনা কেনেকৈ কৰিব তাৰ ওপৰত শিক্ষাৰ্থীসকলে বিবেচনা কৰিব। |
| **৫ মিনিট** | শিক্ষাৰ্থী সকলক জনাব যে তেওঁলোকে নিজৰ ভাষাত পৰিয়ালৰ সদস্য সকলক প্ৰশ্ন কৰা আৱশ্যক আৰু কি, কিয়, কেতিয়া, কোন ব্যৱহাৰেৰে প্ৰশ্ন কৰিব। শিক্ষাৰ্থী সকলক পৰিয়ালৰ প্ৰত্যেক সদস্যকে সুধিব পৰাকৈ এখন প্ৰশ্নৰ তালিকা দিয়ক অথবা তেওঁলোকক নিজকে প্ৰস্তুত কৰিবলৈ দিয়ক।<br>পৰামৰ্শ (ওপৰত দিয়া আৰ্হি চাওঁক)<br>-তোমাৰ প্ৰিয় চিনেমা **কি?** |

| | |
|---|---|
| | -তুমি **কিমানখন** ঠাই ভ্ৰমণ কৰিছা? ইয়াৰে ভিতৰত তুমি ভ্ৰমণ কৰা **কোনখন** ঠাই তোমাৰ প্ৰিয়?<br>-তোমাৰ প্ৰিয় খাদ্য **কি?**<br>-তোমাৰ মহাবীৰ **কোন** হয়? (এয়া হয়তো তোমাৰ কাল্পনিক কোনোবা হ'ব পাৰে অথবা কোনোবা চিনাকী ব্যক্তি হব পাৰে যেনে-তোমাৰ মাঁ) তেখেত **কিয়** তোমাৰ বাবে বীৰাংগনা ? **কিহে** তেখেতক বিশেষ কৰিছে? |
| **৩০-৬০ মিনিট** | ▪ পৰিয়ালৰ প্ৰত্যেক সদস্যকে শিক্ষাৰ্থীয়ে পৃথকে সাক্ষাৎকাৰ ল'ব আৰু তেওঁলোকৰ উত্তৰ সমূহ লিখিতভাৱে বা সাক্ষাত লোৱাজনৰ সহায়ত সহাঁৰিসমূহ অংকনেৰে নথিভূক্ত কৰিব, যদিহে শিক্ষাৰ্থীয়ে লিখিব পৰা নাই তেন্তে তেখেতে শিক্ষাৰ্থীৰ বাবে ডটেড চিহ্নৰে লিখি দিব যাৰ ওপৰেদি শিক্ষাৰ্থীজনে সহাঁৰিসমূহ অংকন কৰিব পাৰিব । শিক্ষাৰ্থীক প্ৰকল্পৰ মাপকাঠী জনাব যাৰ ভিত্তিত ফলাফল নিৰ্ধাৰিত হ'ব। তোওঁলোকক জনাওঁক যে তেওঁলোকক কি লাগিবঃ<br>- ঘৰৰ প্ৰত্যেকৰে সাক্ষাৎকাৰ লোৱা আৰু সকলো সদস্যই মনোযোগেৰে উত্তৰ দিব পৰাকৈ আকৰ্ষণীয় প্ৰশ্ন কৰা।<br>- আপুনি তেওঁলোকক দিয়া আৰ্হিত উত্তৰ সমূহ লিখি ৰখা অথবা তেওঁলোকে পৰিষ্কাৰ আৰ্হি নিজাকৈ প্ৰস্তুত কৰি লোৱা।<br>- পৰিয়ালৰ সদস্যৰ ফটো সুন্দৰভাৱে অংকন কৰা<br>▪ যদি শিক্ষাৰ্থী সকলৰ নিজা ভাতৃ-ভগ্নী নাই, তেন্তে নিজৰ বিষয়ে নথিভূক্ত কৰিব পাৰে আৰু যিসকলৰ অভিভাৱক, পৰিয়ালৰ আন সদস্য আছে তেওঁলোকৰ সহাঁৰি নথিভূক্ত কৰিব পাৰে। |

# দিন ৩

আজি তোমালোকে পৰিচয় পত্ৰ সম্পূৰ্ণ আৰু  পৰিয়ালক দিবা।

| প্ৰস্তাৱিত সময় | ক্ৰিয়াকলাপ আৰু  বিৱৰণ |
|---|---|
| **৫ মিনিট** | ▪ শিক্ষাৰ্থীয়ে তেওঁলোকৰ অভিজ্ঞতাৰ ধাৰণাৰ বিষয়ে আলোচনা কৰিব আৰু পৰিয়ালৰ বিষয়ে কি শিকিলে। |
| **২০ মিনিট** | ▪ শিক্ষাৰ্থীয়ে তৈয়াৰ কৰা তেওঁলোকৰ পৰিচয় পত্ৰসমূহ উপস্থাপন কৰিব ইংৰাজী বা অসমীয়াত। যদি শিক্ষাৰ্থী জন বহুত সৰু হয় তেন্তে বাক্যৰ প্ৰথমভাগ তেওঁলোকক দিব পাৰে তেওঁলোকে উপস্থাপন কৰিবৰ বাবে। যেনে-<br>অভিভাৱকঃএয়া........ |

| | |
|---|---|
| | শিক্ষাৰ্থীঃ মোৰ মাঁ!<br>অভিভাৱকঃ তেওঁৰ প্ৰিয় ৰং..........<br>শিক্ষাৰ্থীঃ ৰঙা!<br>অভিভাৱকঃ তেখেতে ভাল পায়.....<br>শিক্ষাৰ্থীঃ ব্যায়াম! |
| **১০ মিনিট** | ▪ শিক্ষাৰ্থী সকলে উপস্থাপন কৰাৰ পিছত, পত্ৰখন সম্পূৰ্ণ কৰিবলৈ ক'ব আৰু সজাবলৈ দিব।<br>▪ তুমি কাগজখন দীঘলে কাটিব পাৰা আৰু পৰিয়ালৰ সদস্যৰ হাতত নিজস্ব পৰিচয় পত্ৰসমূহ তুলি দিবা। নতুবা আপুনি শিক্ষাৰ্থীসকলৰ কাৰ্য্যক উৎসাহিত কৰিবলৈ এখন ৰঙীন ছাৰ্ট পেপাৰত পৰিচয় পত্ৰ সমূহ আঠা লগাই বৰ্ড বা বেৰত ওলমাই থব পাৰে। |
| **৫-১০ মিনিট** | ▪ পৰিচয় পত্ৰ সমূহ দিয়াৰ আগত পৰিয়ালে এক 'অনুমান খেল' খেলিব পাৰে। শিক্ষাৰ্থী বা পৰিয়ালৰ আন সদস্যই পত্ৰ সমূহৰ সহাঁৰিসমূহ পঢ়িব আৰু আন সদস্যক সেইজন কোন হয় সুধিব পাৰে। |
| **১০-১৫ মিনিট** | ▪ সংখ্যাৰ প্ৰসাৰঃ শিক্ষাৰ্থীয়ে পৰিয়ালৰ সকলো সদস্যৰ বয়স সৰুৰ পৰা ডাঙৰ অথবা ডাঙৰৰ পৰা সৰুলৈ সজাব।<br>-শিক্ষাৰ্থীয়ে পৰিয়ালৰ প্ৰত্যেক সদস্যই ভ্ৰমণ কৰা ঠাই সমূহৰ সংখ্যা গণনা কৰি যোগ কৰিব পাৰিব।<br>শিক্ষাৰ্থীয়ে পৰিয়ালৰ বয়সৰ পাৰ্থক্য বেছি বয়সৰ পৰা কম বয়স বিয়োগ কৰি উলিয়াব পাৰিব। |

## মূল্যায়নৰ মাপকাঠি

- পৰিয়ালৰ প্ৰত্যেক সদস্যৰে সাক্ষাৎকাৰ সম্পূৰ্ণ কৰা।
- স্পষ্ট লিখন অথবা সঁহাৰিৰ চিহ্ন।
- পৰিয়ালৰ প্ৰত্যেক সদস্যৰে পৰিচয় পত্ৰ সম্পূৰ্ণ কৰা।
- পৰিচয় পত্ৰৰ উপস্থাপন।

## অতিৰিক্ত সমৃদ্ধিকৰণ কাৰ্যক্ৰম

এই ক্ৰিয়া-কলাপ আৰু ব্যক্তিৰ অধিক চিনাক্ত কৰণৰ বাবে অধিক প্ৰকাৰ অথবা তুলনামুলক প্ৰশ্ন সহকাৰে অধিক প্ৰত্যাহ্বান ৰূপত সজাব পাৰে।

## সৰলীকৰণেৰে পৰিৱৰ্তন

শিক্ষাৰ্থী সকলে তেওঁলোকৰ বহীত পৰিয়ালৰ বিষয়ে কিছু শব্দ লিখিব আৰু সাদৃশ্য আৰু পাৰ্থক্য তুলনা কৰিব পৰাকৈ সহজভাৱে এই প্ৰকল্প প্ৰস্তুত কৰিব পাৰিব।

-----------------